অধ্যায় ৬ ঃ শঙ্কৰী যুগৰ অসমীয়া সাহিত্য (১)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ শঙ্কৰী যুগৰ সাহিত্য

৬.৪ শঙ্কৰদেৱ

- ৬.৪.১ শঙ্কৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্য
- ৬.৪.২ শঙ্কৰদেৱৰ কাব্য কৃতি
- ৬.৪.৩ শঙ্কৰদেৱৰ ভক্তিতত্ত্বমূলক গ্ৰন্থ
- ৬.৪.৪ শঙ্কৰদেৱৰ অনুবাদমূলক ৰচনা কৃতি
- ৬.৪.৫ শঙ্কৰদেৱৰ অঙ্কীয়া নাটসমূহ
- ৬.৪.৬ শঙ্কৰদেৱৰ গীতসমূহ
- ৬.৪.৭ শঙ্কৰদেৱৰ নাম-প্ৰসঙ্গমূলক গ্ৰন্থ
- ৬.৪.৮ শঙ্কৰদেৱৰ সাহিত্যৰ বিশ্লেষণ

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৬.৮ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যত শঙ্কৰী যুগৰ বিস্তৃতি আৰু সাহিত্যৰ সাধাৰণ বিশেষত্ব সম্পৰ্কে জানিব পাৰিব
- শঙ্কৰদেৱৰ বৰ্ণাঢ্য জীৱন সম্পৰ্কে জানিব পাৰিব
- শঙ্কৰদেৱৰ দ্বাৰা সৃষ্ট সাহিত্যৰাজিৰ পৰিচয় লাভ কৰিব
- শঙ্কৰদেৱৰ সাহিত্যৰাজিৰ বৈশিষ্ট্য সম্পৰ্কে জ্ঞাত হ'ব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি অসমীয়া লোক-সাহিত্য, প্ৰত্ন-অসমীয়া সাহিত্য আৰু প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্য সম্পৰ্কে অধ্যয়ন কৰিছে। এই অধ্যায়ত আপুনি শঙ্কৰী যুগৰ সাহিত্য বিশেষকৈ শঙ্কৰদেৱৰ সাহিত্য সম্পৰ্কে অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিব।

মধ্যযুগৰ অসমীয়া সাহিত্যৰ বৰ্ণাঢ্য পৰম্পৰাক শঙ্কৰদেৱক আধাৰ হিচাপে লৈ দুটা যুগত বিভক্ত কৰা হৈছে— শঙ্কৰী আৰু উত্তৰ শঙ্কৰী যুগ। অসমীয়া সাহিত্যৰ ইতিহাসত শঙ্কৰী যুগৰ সাহিত্যৰ অসীম গুৰুত্ব আছে। একলব্যই দ্রোণাচার্য্যক গুৰু মানি অস্ত্র শিক্ষা লাভ কৰাৰ দৰে শঙ্কৰদেৱক আশ্রয় কৰিয়ে তেওঁৰ পদানুগামী শিষ্য-প্রশিষ্যসকলে এক বিশাল সাহিত্য ভাণ্ডাৰ সৃষ্টি কৰি অসমীয়া জাতিক চহকী কৰি থৈ গৈছে। এই অধ্যায়ত আমি শঙ্কৰী যুগৰ সাহিত্যৰ বিশেষকৈ ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ আভাস দাঙি ধৰি যুগটোৰ প্রধান কবি শঙ্কৰদেৱৰ সাহিত্যৰ বিষয়ে আলোচনা কৰিম।

৬.৩ শঙ্কৰী যুগৰ অসমীয়া সাহিত্য

খ্রীষ্টিয় পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা সপ্তদশ শতিকাৰ আদিভাগলৈ ৰচনা কৰা অসমীয়া সাহিত্যক শঙ্কৰী যুগৰ সাহিত্য বোলা হয়। এই যুগৰ সাহিত্যক নৱ বৈষ্ণৱ সাহিত্যও আখ্যা দিয়া হয়, কাৰণ এই সাহিত্যৰাজিত ভক্তিৰ স্বৰূপ মূর্তিমান হৈ আছে। মহাপুৰুষ শঙ্কৰদেৱে নৱবৈষ্ণৱ ধর্ম প্রচাৰৰ অর্থে গীত-কাব্য-নাট আদি ৰচনা কৰিছিল। এই যুগটোক শঙ্কৰদেৱে প্রৱলভাৱে প্রভাৱান্বিত কৰিছিল আৰু সেই কাৰণে এই যুগটোক শঙ্কৰী যুগ আখ্যা দিয়া হয়। নৱবৈষ্ণৱ আদর্শৰ প্রসাৰ আৰু প্রচাৰৰ উদ্দেশ্যে সাহিত্যৰাজি নিবেদিত বাবে ইয়াক 'ভক্তি সাহিত্য' বা 'নৱবৈষ্ণৱ সাহিত্য' আদি অভিধাও দিয়া হৈছে। গতিকে সাহিত্যৰ ইতিহাসকাৰসকলে শঙ্কৰদেৱৰ বিশাল প্রতিভাৰ উপস্থিতি আৰু ভক্তিৰ স্বৰূপ প্রকট হোৱা সাহিত্যৰাজিক শঙ্কৰী সাহিত্য, নৱবৈষ্ণৱ সাহিত্য বা ভক্তি সাহিত্য আদি আখ্যা প্রদান কৰিছে।

এই যুগৰ অসমীয়া সাহিত্যৰ এক পটভূমি আছে আৰু সর্বভাৰতীয় ভক্তি আন্দোলনৰ সৈতে নিবিড়ভাৱে সম্পর্কীত। প্রাক্-বৈদিক যুগতে ভক্তিতত্ত্বৰ উৎসৰ সন্ধান পোৱা যায় বুলি পণ্ডিতসকলে মত পোষণ কৰিছে। ঋক্বেদত বৰুণ, সবিতা আৰু ঊষাৰ প্রার্থনা পোৱা যায়। এই প্রার্থনা মন্ত্রবোৰত ভক্তিৰ বীজ অন্তর্লীন হৈ আছে। উপনিষদসমূহৰ কেইখনমানত ভক্তিতত্ত্বৰ আভাস পোৱা যায়। অৱশ্যে ভক্তি আন্দোলন বুলি ক'লে খ্রীষ্টিয় পঞ্চদশ শতিকাৰ আশে-পাশে আৰম্ভ হোৱা বৈষ্ণৱ আন্দোলনটোকহে বুজা যায়।

ভক্তিধর্ম বা ভক্তিমার্গৰ মূল লক্ষ্য আছিল লোকজীৱনৰ সর্বাঙ্গীন বিকাশ বা উন্নতি। পণ্ডিতসকলে অভিমত দিয়ে যে তদানীন্তন সময়ত বিষ্ণু উপাসনা পদ্ধতিৰ সৈতে লোকধর্মৰ সংযোগ সাধন হৈ বৈষ্ণৱ ধর্ম বা বৈষ্ণৱ ভক্তি আন্দোলনটোৰ উদ্ভৱ আৰু বিকাশ হৈছে। ভক্তিমার্গত তিনিটা শব্দই বিশেষ স্থান লাভ কৰিছে। সেয়া হৈছে ভগৱৎ, ভক্তি আৰু ভক্ত। পণ্ডিতসকলে মত পোষণ কৰিছে যে এই তিনিটা পদে আদিম জনজাতীয় গোষ্ঠী বিশেষৰ সম্পত্তিৰ অধিকাৰী (ভগৱৎ, প্রভু), সম্পত্তিৰ অংশ (ভক্তি) আৰু সম্পত্তি লাভ কৰা ব্যক্তি বিশেষক (ভক্ত) বুজায়। সময়ৰ গতিশীলতাত ভগৱতক ঈশ্বৰ স্বৰূপে শ্রদ্ধা কৰিবলৈ লোৱা হ'ল আৰু ভক্তক ঈশ্বৰক সেৱক ৰূপে গণ্য কৰা হ'ল।

খ্ৰীঃপূঃ কেইবা শতিকা আগৰে পৰা ভক্তিবাদৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। বেদ-বেদান্ত, প্ৰত্ন লিপি, শিলালিপি, সাহিত্য ৰচনা আদিয়ে এই কথা প্ৰতিপন্ন কৰে। *শ্ৰীমদ্ভাগৱত পুৰাণত* উল্লেখ আছে যে ভক্তি ধৰ্ম পোনতে দ্ৰবিড় দেশত উদ্ভৱ হৈছিল। দক্ষিণ ভাৰতত অৰ্থাৎ দ্ৰাবিড় দেশত আলোৱাৰ নামৰ এক শ্ৰেণীৰ কৃষ্ণ ভক্তৰ বিকাশ ঘটিছিল। তেওঁলোকৰ উপাস্য দেৱতা আছিল বাল গোপাল আৰু তেওঁলোকে এই উপাস্য দেৱতাক গীত, পদ আৰু নৃত্যৰে উপাসনা কৰিছিল। বহুতো পণ্ডিতে মত পোষণ কৰে যে বৈষ্ণৱ ভক্ত-গায়ক আলোৱাৰসকলৰ ভগৱৎপ্ৰীতিৰ মাজেৰে প্ৰেম-ভক্তিৰ বিকাশ হোৱা স্বাভাৱিক। আনকি এওঁলোকে কয় যে আলোৱাৰসকলৰে কোনো সিদ্ধই *শ্ৰীমদ্ভাগৱত পুৰাণখন* ৰচনা কৰে। পৰৱৰ্তী কালত প্ৰসিদ্ধ যমুনাচাৰ্য্য, ৰামানুজ, নিম্বাকাচাৰ্য্য, মধ্বচাৰ্য্য, জ্ঞানদেৱ, নামদেৱ, কবীৰ, বল্লভাচাৰ্য্য, দাদুদয়াল আদি সন্ত পুৰুষসকলে ভিন্ন সময়ত বেলেগ বেলেগ ধৰণে ভাৰতৰ বিভিন্ন স্থানত ভক্তি ধৰ্ম প্ৰসাৰিত কৰে। চতুৰ্দশ-পঞ্চদশ শতিকাত অসমত শঙ্কৰদেৱ আৰু বংগত চেতন্যদেৱে ভক্তি ধৰ্ম প্ৰচাৰ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমত নৱবৈষ্ণৱ আন্দোলনৰ সামাজিক পটভূমি উল্লেখ কৰি অসমীয়া বৈষ্ণৱ সাহিত্যৰ ৰূপৰেখা দিবলৈ যত্ন কৰক। (২০০-৩০০টা শব্দৰ ভিতৰত লিখক)

সৰ্বভাৰতত ভক্তিধৰ্মৰ বিকাশ হোৱাৰ কিছুমান কাৰণ আছে। এই ঐতিহাসিক কাৰণসমূহ তলত উল্লেখ কৰা হ'ল—

- খ্ৰীষ্টিয় দশম-একাদশ শতিকামানৰ পৰা আৰম্ভ কৰি নব্য ভাৰতীয় আৰ্য্য ভাষাসমূহৰ উদ্ভৱ আৰু বিকাশ হ'বলৈ আৰম্ভ কৰি এই ভাষাতে সংস্কৃত ধৰ্মগ্ৰন্থ বা সাহিত্যসমূহ অনুবাদ হ'বলৈ লয়। ইয়াৰ ফলত সাধাৰণ মানুহেও ভক্তিতত্ত্বৰ মূল কথাবোৰ সহজে বুজি পোৱা হ'ল। এসময়ত হিন্দু ধৰ্মৰ মাজত বিভিন্ন ধৰণৰ বেমেজালিয়ে দেখা দিছিল। এই ধৰ্মকেন্দ্ৰিক বেমেজালিসমূহ আঁতৰ কৰিবৰ কাৰণে সেই সময়ৰ বৈষ্ণৱ সাধকসকলে প্ৰেম-প্ৰীতি, দয়া-কৰুণা, একেশ্বৰবাদৰ আদৰ্শৰে জনসাধাৰণৰ মাজত ভক্তি ধৰ্ম প্ৰচাৰ কৰে।
- ভক্তিধৰ্মৰ বিকাশত অৰ্থনৈতিক কাৰকেও ক্ৰিয়া কৰিছিল। সেই সময়ত যাগ-যজ্ঞ, পূজা-পাতল ব্যয়বহুল আছিল। আনহাতে, সমাজত উচ্চবৰ্ণৰ হিন্দুৰ তুলনাত নিম্নবৰ্ণৰ লোকসকল দৰিদ্ৰ আছিল। তেওঁলোকে ধৰ্ম উপাসনাৰ নামত এনে ব্যয় বহন কৰিব নোৱাৰিছিল। ভক্তি ধৰ্ম আছিল ব্যয়বিহীন আৰু অনাড়ম্বৰ। গতিকে মানুহে এই ধৰ্ম গ্ৰহণ কৰিছিল।
- এই সময়ছোৱাতে প্ৰান্তীয় ভাষাত ধৰ্মীয় সাধন প্ৰণালীসমূহ অনুশীলন হ'বলৈ ধৰে আৰু প্ৰান্তীয় ভাষাবোৰত ভক্তি মাৰ্গক প্ৰাধান্য দি নানান পুথিৰ ৰচনা আৰম্ভ হয়। ইয়াৰ ফলত

ভক্তি ধর্মৰ প্রসাৰ বৃদ্ধি হয়। এই সময়ছোৱাৰ ধর্ম-সংস্কাৰকসকলে ইছলাম ধর্মৰ উদাৰ ভাতৃত্ববোধৰ লেখিয়াকৈ ভক্তি মার্গৰ সংস্কাৰ সাধন কৰি সকলো শ্রেণীৰ লোকক আত্মিক বিকাশৰ সুযোগ প্রদান কৰিছিল।

- বৈদিক যাগ-যজ্ঞৰ বিপৰীতে সর্বসাধাৰণৰ মাজত নাম-কীর্ত্তনৰ জনপ্রিয়তা বাঢ়ি গৈছিল আৰু এইদৰে ভক্তিধর্মৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈছিল।
- ভাৰতৰ অন্যান্য প্রান্তৰৰ দৰে অসমতো খ্রীষ্টিয় শতিকাৰ আদি ভাগতে বিষ্ণু উপাসনাৰ বীজ ৰোপিত হৈছিল। বিভিন্ন শৈললেখ, তাম্রপত্র আদিত ইয়াৰ নিদর্শন ৰক্ষিত হৈছে। প্রাক্-শঙ্কৰী যুগৰ সাহিত্যিকসকলৰ ৰচনাত বিষ্ণুৰ মাহাত্ম্য বর্ণিত হৈছে। অৱশ্যে বৈষ্ণৱ জনজাগৰণৰ বাবে যিখিনিৰ প্রয়োজন সেইখিনি হোৱা নাছিল। শঙ্কৰদেৱেহে নিজৰ অদ্বিতীয় প্রতিভাৰে অসমত এই বৈষ্ণৱ জাগৰণ সম্ভৱ কৰি তুলিলে। তেওঁ পূর্বৰ বৈষ্ণৱ পৰম্পৰাৰ ভেটিত এক স্বতন্ত্রতা প্রদান কৰি নৱবৈষ্ণৱ ধর্মৰ সার্বজনীন ৰূপ দান কৰিলে।
- শঙ্কৰদেৱে ত্রিশ বছৰমান বয়সত ভাৰতবর্ষৰ বিভিন্ন তীর্থস্থান পদব্রজে পৰিভ্রমণ কৰি বিভিন্ন ধর্মাচার্য্যৰ সংসর্গ লাভ কৰাৰ উপৰি চিন্তাধাৰাৰ সৈতে পৰিচয় লাভ কৰিছিল। তীর্থ ভ্রমণৰ অভিজ্ঞতা আৰু ধর্মাচার্য্যসকলৰ চিন্তাধাৰাৰ প্রচ্ছায়াত উভতি আহি শঙ্কৰদেৱে দেশ-কাল পাত্রৰ উপযোগীকৈ একশৰণ নামধর্ম প্রৱর্তন কৰে। নামধর্ম প্রচাৰৰ মাধ্যম হিচাপে তেওঁ বিপুল সংখ্যক সাহিত্যও সৃষ্টি কৰে। অৱশ্যে নাম ধর্ম-প্রতিষ্ঠাৰ ক্ষেত্রত অসমৰ সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিয়েও সহায় কৰিছিল।
- তদানীন্তন ৰাজনৈতিক পৰিস্থিতি বা শাসকসকলে সমাজৰ নিম্নবর্গৰ লোকক সমাজত পদদলিত কৰি ৰাখিছিল। এনে সামাজিক অৱদমনৰপৰা তেওঁলোকে মুক্তিৰ সন্ধান কৰিছিল। তেনে সময়তে শঙ্কৰদেৱে একশৰণ নাম ধর্ম প্রতিষ্ঠা কৰি সকলোকে ধর্মীয় আৰু সামাজিক ক্ষেত্রত সমমর্য্যাদা দিয়াৰ বাবে আগবাঢ়ি আহিল আৰু এনে ধ্বনিয়ে সকলোকে আকৃষ্ট কৰে। তদুপৰি প্রাক্-শঙ্কৰী যুগৰ কবিসকলে নির্মাণ কৰি যোৱা অসমীয়া সাহিত্যৰ ভেটিত শঙ্কৰদেৱ আৰু তেওঁৰ সমসাময়িক কবিসকলে বিবিধ কাব্য, গীত, নাট, গদ্য আদিৰ সহায়েৰে এক দৃঢ় সৌধ নির্মাণ কৰি জনগণৰ মনত বিমল সৌন্দর্য্যবোধৰ সৃষ্টি কৰি সাংস্কৃতিকভাৱে সচেতনতা বৃদ্ধি কৰে। শঙ্কৰদেৱে অসমৰ ইমূৰৰপৰা সিমুৰলৈ পৰিভ্রমণ কৰি সকলো জাতি-উপজাতিক একতাৰ ঢোলেৰে বান্ধি বহুদেৱতাৰ ঠাইত একদেৱতা, বহু উপাসনাৰ ঠাইত এক উপাসনাৰ প্রৱর্তন কৰি মানুহক ভগৱৎমুখী কৰি তোলে।
- শঙ্কৰী যুগৰ সাহিত্য মূলতঃ ধর্ম-প্রচাৰৰ উদ্দেশ্যে ৰচিত হৈছিল। হিন্দু ধর্মগ্রন্থসমূহ সাধাৰণতে সংস্কৃত ভাষাত ৰচিত হৈছিল। ইয়াৰ তত্ত্বসমূহ জনসাধাৰণৰ বাবে বোধগম্য হোৱাকৈ, শ্রৱণ-কীর্তনৰ সহায়ক হোৱাকৈ, ভগৱান শ্রীকৃষ্ণৰ মাহাত্ম্য প্রচাৰৰ অর্থে এইবোৰ ৰচিত হৈছিল। শঙ্কৰী যুগৰ সাহিত্য আদর্শবাদী ভাৱধাৰাৰ ওপৰত প্রতিষ্ঠিত, গতিকে ইয়াত সাধাৰণ মানুহৰ মনৰ কথা বা আর্থ-সামাজিক চিত্র প্রতিফলিত হোৱা

নাই। ভগৱানৰ অৱতাৰ লীলা বা কৃষ্ণ ভক্তিৰ মাহাত্ম্যহে সাহিত্যসমূহৰ মাজেৰে উদ্ভাসিত হৈছে। সাহিত্যৰাজিতো বিভিন্ন ৰসৰ প্ৰকাশ ঘটিলেও ভগৱতৰ ভক্তিৰসত সকলো বিলীন হৈ গৈছে। অন্তঃসলিলা ফল্গুৰ দৰে সকলোৰে অন্তৰালত বৈ থাকে কৃষ্ণৰতি বা ভক্তিৰস।

- আন এটা মন কৰিবলগীয়া কথা হ'ল, সেই যুগৰ সমগ্ৰ সাহিত্যই আছিল মূলতঃ অনুবাদ-মূলক। কবিসকলে কাব্য-নাটৰ বাবে সমল সংগ্ৰহ কৰিছিল *শ্ৰীমদ্ভাগৱত পুৰাণ* আৰু আন ভক্তিমূলক *পুৰাণ*ৰ পৰা। অৱশ্যে অনুবাদমূলক বা সমল আধাৰিত সাহিত্য হ'লেও এইবোৰৰ মাজতে কবিসকলৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰ ভাস্বৰ হৈ আছে। সেই কাৰণে এই যুগৰ সাহিত্য অধিক প্ৰাণৱন্ত।
- শঙ্কৰী যুগৰ সাহিত্য মেট মৰা ভঁৰাল সদৃশ। এইবোৰক কাব্য, গীত, নাটক, অনুবাদমূলক, কথাবন্ধে ৰচিত সাহিত্য, চৰিত সাহিত্য আদি। স্ত্ৰী-শূদ্ৰে সকলোৱে বুজিব পৰাকৈ ৰচনা কৰাৰ বাবে এই সাহিত্যৰাজিয়ে অদ্যাপি অসমীয়া জাতীয় জীৱনত সমতা আৰু সংহতি অনাৰ ক্ষেত্ৰত প্ৰভুত অৰিহণা আগবঢ়াইছে।

৬.৪ শঙ্কৰদেৱ

প্ৰাচীন পূৰণি অসমীয়া কবিসকলে নিজৰ ৰচনাৰ ঠায়ে ঠায়ে নিজৰ পৰিচয় উল্লেখ কৰিছে। শঙ্কৰদেৱো ইয়াৰ ব্যতিক্ৰম নহয়। তেৱোঁ ৰচনাৱলীৰ বিভিন্ন ঠাইত আত্মপৰিচয় উল্লেখ কৰিছে। *ভাগৱতৰ* ৮ম স্কন্ধৰ ৮৯৪৪-৪৬ সংখ্যক পদত তেওঁ এনেদৰে আত্মপৰিচয় প্ৰদান কৰিছে—

টেমোনীয়া বন্ধেগ্ৰাম বটদ্ৰৱা যাৰ নাম
লৌহিত্যৰ জলে অনুকূল।
ভৈলা সেহি গ্ৰামেশ্বৰ যাৰ নাম ৰাজধৰ
কায়াস্থ কুলৰ পদ্মফুল।।
তান পুত্ৰ সূৰ্য্যধৰ মহা বৰা বংশধৰ
অতিগুণৱন্ত সন্ত শিষ্ট।
যাৰ যশ এভো জ্বলৈ জয়ন্ত মাধৱ দলৈ
দুই ভাই যাহাৰ কণিষ্ঠ।
তান হৈতে ভৈল জাত সমস্ত দেশতে খ্যাত
প্ৰসিদ্ধ কুসুম নাম যাৰ।
গুণৱন্ত মহামাণী দাতাৰ অগ্ৰতগণি
শিৰোমণি সমস্ত ভূঞাৰ।
তাহাৰ তনয় কবি কৃষ্ণৰ চৰণ সেবি
শঙ্কৰে ৰচিলা ইটো গীত।
শুনিয়োক বুধলোক মোৰ পদ যেন হোক
কৃষ্ণ কথা শুনি ৰঙ্গা চিত্ত।।

১৩৭১ শকৰ আহিন মাহৰ পাঁচ তাৰিখে (১৪৪৯ চন) বৰদোৱাৰ ওচৰৰ আলিপুখুৰী গাঁৱত শঙ্কৰদেৱৰ জন্ম/আবির্ভাৱ হয়। তেওঁৰ পিতৃৰ নাম কুসুম্বৰ ভূঞা আৰু মাতৃৰ নাম সত্যসন্ধা আই। তেওঁ সৰুতে পিতৃ-মাতৃ দুয়োকে হেৰুৱাই বঢ়ীমাক খেৰসূতী আইৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হৈছিল। সোণালী শৈশৱ প্ৰাণভৰি উপভোগ কৰাৰ অন্তত তেওঁক ১২ বছৰ বয়সত মহেন্দ্ৰ কন্দলীৰ পঢ়াশালিত নাম লগাই দিয়া হয়। তেওঁৰ বুদ্ধি-বৃত্তি প্ৰখৰ আছিল। *চৰিত পুথি* মতে টোলত আখৰ জোঁটনী শিকিয়েই তেওঁ 'কৰতল কমল কমল দল নয়ন' কবিতা ৰচনা কৰি গুৰুক দেখু�ৱাইছিল আৰু গুৰুয়ে তেওঁৰ প্ৰতিভাৰ উমান লাভ কৰি তেওঁক ওজা ছাত্ৰ পাতিছিল। পঢ়া-শুনাৰ লগতে তেওঁ শৰীৰ চৰ্চাতো আগবঢ়া আছিল আৰু ইয়ে তেওঁক সবল-সুঠাম কৰি তুলিছিল। সোতৰ-কুৰি বছৰ বয়সত তেওঁ আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰি গৃহস্থী হয় আৰু ভূঞা পদো গ্ৰহণ কৰে। সেই কাৰণে তেওঁ ডেকাগিৰি নামে পৰিচিত হয়। প্ৰজাসকলৰ পৰমৰ্শ মৰ্মে তেওঁ আলিপুখুৰী এৰি বৰদোৱাত থাকিবলৈ লয়।

একৈশ বছৰ মান বয়সৰ শঙ্কৰদেৱে সূর্য্যৱতীৰ সৈতে বিবাহপাশত আবদ্ধ হয়। প্ৰথমা কন্যা মনুৰ জন্ম হোৱাৰ ৯ মাহৰ পিছত সূর্য্যৱতীয়ে ইহ সংসাৰ ত্যাগ কৰে। বত্ৰিশ বছৰ বয়সত শঙ্কৰদেৱে মনুক হৰিলৈ বিয়া দিয়ে আৰু সংসাৰ বন্ধনৰ পৰা মুক্ত হয়। সেই সময়তে তেওঁ ককাক জয়ন্ত আৰু মাধৱক শিৰোমণি ভূঞাৰ বাব শোধাই সোতৰজন সঙ্গীৰে সৈতে তীৰ্থ ভ্ৰমণলৈ যাত্ৰা কৰে। বাৰ বছৰ কাল বিভিন্ন তীৰ্থ পৰিদৰ্শন কৰি ভক্তি ধৰ্মৰ দ্বাৰা উদ্বুদ্ধ হৈ তেওঁ স্বগৃহলৈ প্ৰত্যাৱৰ্তন কৰে। বৰদোৱালৈ উভতি আহি তেওঁ বংশ-কুটুম্বৰ হেঁচাত কালিন্দী আইক বিয়াক কৰাই যদিও বিষয় জঞ্জালৰ ভাৰ সম্পূৰ্ণ ৰূপে জোৱায়েক হৰিৰ ওচৰত অৰ্পণ কৰি ধৰ্মচৰ্চাত আত্মনিয়োগ কৰে। বৰদোৱাত তেওঁ নামঘৰ-মণিকূট আদি সাজি ভক্তি ধৰ্ম প্ৰচাৰ কৰিবলৈ লয়।

শঙ্কৰদেৱে বৰদোৱাত প্ৰায় চাৰে সাত বছৰ থাকি সেই ঠাই এৰে আৰু বিভিন্ন ঠাই ঘূৰি পকি মাজুলীৰ ধুৱাহাট বা বেলগুৰিলৈ যায়। ধুৱাহাটত থকা কালছোৱাতে তেওঁৰ পুত্ৰ কমললোচন আৰু হৰিচৰণ আৰু কন্যা ৰুক্মিণী বা বিষ্ণুপ্ৰিয়াৰ জন্ম হয়। ধুৱাহাটতে তেওঁৰ মাধৱদেৱৰ সৈতে মিলন হয়। এই স্থানতে তেওঁৰ শিষ্য-প্ৰশিষ্যৰ সংখ্যা বৃদ্ধি পায় আৰু সকলোৱে মিলি মধ্য অসমলৈ হৰি নাম-কীৰ্ত্তনৰ জোৱাৰ আনে।

শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰৰ পথ একেবাৰে নিষ্কণ্টক নাছিল। কৰ্মকাণ্ডী ব্ৰাহ্মণ আৰু সতীয়া ভায়েক বনগঞাগিৰীকে আদি সকলে তেওঁৰ ধৰ্ম প্ৰচাৰৰ বাটত হেঙাৰ হিচাপে ঠিয় দিছিল, যাৰ ফলত তেওঁ আহোম ৰজাৰপৰা নিগৃহীত হৈছিল। আনকি হাতী ধৰিব নোৱৰাৰ অপৰাধত তেওঁৰ জোঁৱায়েক হৰিৰ শিৰচ্ছেদ হয় আৰু মাধৱদেৱ এবছৰকাল ৰাজধানীত থাকিব লগা হয়। এই ঘটনাই শঙ্কৰদেৱৰ অন্তৰত গভীৰ দুখ দিয়ে আৰু তেওঁ আহোম ৰাজ্য এৰি কোচ ৰাজ্যলৈ আহে আৰু পাটবাউসীত থাকিবলৈ লয়। ধৰ্ম প্ৰচাৰ আৰু সাহিত্য সৃষ্টিৰ ফালৰ পৰা পাটবাউসীত থকা কালছোৱা শঙ্কৰদেৱৰ জীৱনৰ গুৰুত্বপূৰ্ণ কাল আছিল। ১৫৪৬ চনমানত শঙ্কৰদেৱে মাধৱদেৱ প্ৰমুখ্যে অন্যান্যসকলৰ লগত পাটবাউসীৰ পৰা দ্বিতীয় বাৰ তীৰ্থ ভ্ৰমণলৈ ওলাই আৰু ছমাহমান তীৰ্থ ভ্ৰমণ কৰি এই যাত্ৰা সামৰে।

শঙ্কৰদেৱ কোচৰাজ্যত থকা কালত আচাৰ সর্বস্ব বিপ্রসকলৰ প্ৰৰোচনাত মহাৰাজ নৰনাৰায়ণৰ ৰোষত পৰে। অৱশ্যে চিলাৰায়ৰ কথাতেই নৰনাৰায়ণে শঙ্কৰদেৱৰ মহিমা অনুধাবন কৰিবলৈ সক্ষম হয় আৰু তেওঁক দেখা কৰিবৰ ইচ্ছা প্রকাশ কৰাত শঙ্কৰদেৱ কোচবিহাৰলৈ যায় আৰু ৰাজদর্শন কৰে। পৰৱর্তী সময়ত ৰজাৰ সৈতে তেওঁৰ মধুৰ সম্পর্ক গঢ়ি উঠে।

জীৱনৰ শেষ সময়ছোৱা শঙ্কৰদেৱ কোচবিহাৰত আছিল। নৰনাৰায়ণ ৰজাই তেওঁৰ ওচৰত শিষ্যত্ব গ্রহণ কৰিব খুজিছিল যদিও শঙ্কৰদেৱে তেওঁক শিষ্যত্ব প্রদান কৰিবলৈ ইচ্ছুক নহ'ল। বেহাৰত থকা কালতে শঙ্কৰদেৱৰ গাত এটা ফোঁহো�ৱা ওলায় আৰু ইয়াৰ বিষত তেওঁৰ তীৰ কঁপে জ্বৰ উঠে। সেই বিষ আৰু জ্বৰতে ১৫৬৮ চনত তেওঁ দেহ ত্যাগ কৰে।

৬.৪.১ শঙ্কৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্য

শঙ্কৰদেৱ অসমীয়া সাহিত্যৰ অদ্বিতীয় নির্মাণকর্তা। তেওঁ একাধাৰে ধর্ম প্রৱর্তক, সমাজ সংস্কাৰক, কবি, অনুবাদক, সঙ্গীতজ্ঞ, নাট্যকাৰ, চিত্রকৰ। অসমীয়া জাতীয় জীৱন আৰু সংস্কৃতিৰ এনে এটা দিশ নাই, য'ত শঙ্কৰদেৱৰ কুশল হস্তৰ পৰশ পৰা নাই। বিভিন্ন জাতি-উপজাতি, ধর্ম-বর্ণ 'একে দেহে হ'ল লীন' কৈ অসমীয়া জাতি আৰু অসমীয়া সমাজ গঠন হৈছে। এই-কথা শঙ্কৰদেৱে ভালদৰে উপলব্ধি কৰিছিল আৰু সেই সমন্বিত ৰূপটোক আৰু গভীৰ, সুন্দৰ আৰু স্থায়ী কৰি তোলাৰ অর্থে তেওঁ নিজৰ সকলো প্রতিভা, মণীষা আৰু শ্রম নিয়োজিত কৰিছিল। শঙ্কৰদেৱেই বৃহত্তৰ অসমীয়া জাতি গঠন কৰিলে বুলি ক'লে অত্যুক্তি কৰা নহ'ব। তেওঁৰ সুদূৰ প্রসাৰী বহুমুখী দান উপলব্ধি কৰিয়েই বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছে— "বহু দেৱতাৰ মাজত প্রধান দেৱতাৰ সন্ধান দান, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্রতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ, আমাৰ জাতীয় আধ্যাত্মিক ক্ষেত্রত মহাপুৰুষৰ প্রধান দান।"

শঙ্কৰদেৱৰ সাহিত্য প্রধানতঃ *শ্রীমদ্ভাগৱতৰ* ওপৰত আধাৰিত। তেওঁৰ সাহিত্য সাধনাৰ পথ নির্দিষ্ট কৰিছিল সংস্কৃতত ৰচিত বৈষ্ণৱ সাহিত্যৰ বিপুল অধ্যয়ন আৰু থলুৱা মাত কথাৰ প্রতি নিভাঁজ প্রেমে। কৃষ্ণনাৰায়ণ প্রসাদ 'মাগধ'-এ শঙ্কৰদেৱৰ বহুমুখী সাহিত্যিক অৱদানৰ প্রসঙ্গত এনেদৰে মন্তব্য কৰিছে— "ৰচনাৱলীত তেখেতৰ ব্যক্তিত্ব কবি আৰু নাট্যকাৰ, গীতিকাৰ আৰু প্রৱন্ধকাৰ, পদ্য আৰু গদ্যকাৰ, সঙ্গীত আৰু কীর্ত্তন গায়ক, ভক্ত আৰু চিন্তাবিদ, উপদেশ কর্তা আৰু অভিনেতা, সম্পাদক আৰু অনুবাদকৰ বিভিন্ন ৰূপত অভিব্যক্ত হৈছে।"

শঙ্কৰদেৱে যথেষ্ট সংখ্যক সাহিত্য কৃতি ৰচনা কৰিছে। এই সাহিত্যৰাজিক বিভিন্ন পণ্ডিতে বিভিন্ন ভাগত ভাগ কৰিছে। তেওঁৰ ৰচনাৱলীক ৰচনাক্রমৰ আধাৰত বর্গীকৃত কৰা সহজ নহয়। বিষয়বস্তু অনুসৰি এই ৰচনাৰাজিক তলত দিয়া ধৰণে শ্রেণীবিভাজন কৰা হৈছে—

ক) **কাব্য ঃ** ১) *হৰিশ্চন্দ্ৰ উপাখ্যান*, ২) *ৰুক্মিণী হৰণ কাব্য*, ৩) *বলিছলন*, ৪) *অমৃত মথন*, ৫) *অজামিল উপাখ্যান* আৰু ৬) *কুৰুক্ষেত্ৰ*।

খ) **ভক্তিতত্ব প্ৰকাশক গ্ৰন্থ ঃ** ১) *ভক্তিপ্ৰদীপ*, ২) *ভক্তিৰত্নাকৰ*, ৩) *নিমি-নৰসিদ্ধ সংবাদ* আৰু ৪) *অনাদি পাতন*।

গ) **অনুবাদমূলক ৰচনা ঃ** ১) *প্ৰথম, দ্বিতীয়, ষষ্ঠ* (*অজামিল উপাখ্যান* মাত্ৰ), অষ্টম (*বলিছলন, অমৃত মথন*), *দশম* (আদ্য), *একাদশ, দ্বাদশ খণ্ড ভাগৱত* আৰু ২) *উত্তৰা কাণ্ড ৰামায়ণ*।

ঘ) **নাট ঃ** ১) *চিহ্নযাত্ৰা*, ২) *পত্নীপ্ৰসাদ*, ৩) *কালিদমন*, ৪) *কেলি গোপাল*, ৫) *ৰুক্মিণী হৰণ*, ৬) *পাৰিজাত হৰণ* আৰু ৭) *ৰামবিজয়*

ঙ) **গীত ঃ** ১) বৰগীত, ২) ভটিমা আৰু ৩) টোটয় আৰু চপয়

চ) **নাম-প্ৰসঙ্গমূলক গ্ৰন্থ ঃ** ১) *কীৰ্ত্তন* আৰু ২) *গুণমালা*

৬.৪.২ শঙ্কৰদেৱৰ কাব্য কৃতি

অসমীয়া সাহিত্যৰ যুগ প্ৰবৰ্তক শঙ্কৰদেৱে যদিও ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেহে সাহিত্য ৰচনা কৰিছিল, তথাপি তেওঁৰ গীত-কবিত্ব গুণৰ কীৰ্তি সুদূৰপ্ৰসাৰী আছিল। শঙ্কৰদেৱে অলঙ্কাৰ, ৰস, ছন্দ আদি কাব্যতত্ত্বসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। অৱশ্যে সংস্কৃত আলঙ্কাৰিকসকলে নিৰ্দ্ধাৰণ কৰা দৃশ্যকাব্য, শ্ৰব্যকাব্য, মহাকাব্য, লঘুকাব্য আদিৰ লক্ষণসমূহ শঙ্কৰদেৱৰ ৰচনাৱলীত যথাযথভাৱে ৰক্ষিত হোৱা দেখিবলৈ পোৱা নাযায়। ইয়াৰ কাৰণ হ'ল শঙ্কৰদেৱৰ দিনলৈ সংস্কৃত কাব্যৰ পৰম্পৰা পোনপটীয়াভাৱে চলি থকা নাছিল।

শঙ্কৰদেৱে কেইখনমান আখ্যানমূলক পদ্যগ্ৰন্থ ৰচনা কৰিছে আৰু বিদ্বৎ সমাজে এইকেইখনক কাব্য আখ্যা দিছে। *হৰিশ্চন্দ্ৰ-উপাখ্যান, ৰুক্মিণী হৰণ, অজামিল উপাখ্যান অমৃত মথন, বলিছলন* আৰু *কুৰুক্ষেত্ৰ* তেওঁৰ ৰচিত অনুপম কাব্য।

হৰিশ্চন্দ্ৰ উপাখ্যান ঃ এইখন শঙ্কৰদেৱৰ প্ৰথম কাব্য বুলি ঠাৱৰ কৰা হৈছে। কাব্যখনৰ আখ্যানভাগ *মাৰ্কণ্ডেয় পু�ৰাণ*ৰ ৭-৯ অধ্যায়ৰ পৰা গ্ৰহণ কৰা হৈছে। অৱশ্যে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য পূৰণ কৰিবলৈ কবিয়ে কাহিনীভাগত ভালেখিনি পৰিৱৰ্তন কৰি লৈছে। 'চাৰিখুঁটা মাৰি সেৱকলৈ' অৰ্থাৎ ভক্তিৰ ক্ষেত্ৰখনি চাৰিওফালে খুঁটি মাৰি কৃষ্ণ সেৱকৰ বাবে নিকপ্‌কপীয়া কৰি ল'বলৈকে শঙ্কৰদেৱে এই কাব্যখন ৰচনা কৰিছিল। কাব্যখনত জনকল্যাণৰ আদৰ্শ সুস্পষ্ট। শঙ্কৰদেৱৰ প্ৰথম কাব্য হিচাপে ইয়াত কাব্যিক গুণসমূহ ভক্তিৰসেৰে ভা�ৰাক্ৰান্ত নহৈ জীপাল হৈ পৰিছে। এই কাব্যখনত ভক্তিৰ আদৰ্শটো অভিধেয় ৰূপত প্ৰকাশ নকৰি কলাসুলভভাৱে ব্যঞ্জিত কৰা হৈছে।

***ৰুক্মিণী হৰণ* কাব্য ঃ** শঙ্কৰদেৱৰ দ্বিতীয়খন কাব্য *ৰুক্মিণী হৰণ* তেওঁৰ সৰ্বাধিক জনপ্ৰিয় কাব্য। এই কাব্যখনত *হৰিবংশ*ৰ পৰা গ্ৰহণ কৰা কাহিনীভাগত *ভাগৱত পুৰাণ*ৰো কথা

মিহলাই দিয়া হৈছে। কাব্যখনৰ চৰিত্ৰ সৃষ্টিত, স্থানীয় সাঁচত পেলাই কৰা পৰিৱেশ চিত্ৰণ আৰু স্থানীয় বচনভঙ্গীত কবি প্ৰতিভা উজ্বলি উঠিছে। কাব্যত কৃষ্ণই আন আন ৰজাসকলক পৰাজিত কৰি *ৰুক্মিনীক হৰণ* কৰি অনা আৰু দ্বাৰকাত বিবাহ কৰোৱাৰ কাহিনী বৰ্ণিত হৈছে। সমালোচকে কৈছে, কৃষ্ণ ৰুক্মিণীৰ কৌতুকপূৰ্ণ বিবাহৰ বৰ্ণনাৰে ৰচিত এই ভক্তি কাব্যত *হৰিশ্চন্দ্ৰ উপাখ্যানত*কৈ ভক্তি ৰসৰ মাত্ৰা বাঢ়িছে আৰু সার্থক কবি প্ৰতিভাৰ সৈতে তেওঁ জনপ্ৰিয়তাৰ সোপানত বহু দূৰ আগুৱাই গৈছে।

অজামিল উপাখ্যান ঃ *অজামিল উপাখ্যান* সহৃদয় ভক্ত ৰসিকৰ আস্বাদনীয় ভক্তিৰসৰ ঘনীভূত ব্যঞ্জনাৰে এখন অনুপম ভক্তি কাব্য। কবিয়ে *ভাগৱতৰ* ৫ ম স্কন্ধত ২৬ অধ্যায় আৰু ষষ্ঠ স্কন্ধৰ ১-৩ অধ্যায়ৰ পৰা কাব্যৰ কাহিনী গ্ৰহণ কৰিছে আৰু কোনো পৰিৱৰ্তন নঘটোৱাকৈ ইয়াক উপস্থাপন কৰিছে। কাব্যখনৰ বৈশিষ্ট্য এইখিনিতে যে হৰিতকৈও নামৰ প্ৰভাৱ অধিক আৰু অনাচাৰী পৰম পাতকীজনেও নামৰ মহিমাৰ বলত বৈকুণ্ঠ লাভ কৰে বুলি প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰিছে। মহাপাতকী অজামিলে মৃত্যুৰ সময়ত সৰু পুতেক নাৰায়ণৰ নাম লৈয়ে বিষ্ণুলোক লাভ কৰাৰ কাহিনী ইয়াত বৰ্ণিত হৈছে। কাহিনীভাগৰ মাজে মাজে দীঘলীয়া ভক্তিমূলক উপদেশ সংযোজিত হৈছে।

অমৃত-মথন ঃ *অমৃত মথন* কাব্যখনৰ কাহিনীভাগ *ভাগৱত পুৰাণৰ* ৮/৫/১১ পৰা ৮/১২/৪৭ লৈ কৰা বৰ্ণনাৰ পৰা গ্ৰহণ কৰা হৈছে। মূল কাহিনীটোত শঙ্কৰদেৱে কোনো পৰিৱৰ্তন ঘটোৱা নাই যদিও কাব্যখনৰ নানা ঠাইত নিজ উদ্দেশ্যৰ অনুকূল কৰি বৰ্ণনা কৰা হৈছে। কাব্যখনৰ আৰম্ভণি ভাগতে নাৰায়ণে দৈত্যসকলক মোহগ্ৰস্ত কৰি দেৱতা-সকলক অমৃত পান কৰোৱাৰ যুক্তিযুক্ততা সম্পৰ্কে এটা পৰিৱেশ সৃষ্টি কৰি লোৱা হৈছে। সেইদৰে মূলৰ একোটা সঙ্কেতকে ভিত্তি কৰি বিভিন্ন চৰিত্ৰৰ কথোপকথনৰ দ্বাৰা বৰ্ণনীয় বিষয় প্ৰভাৱশালী কৰি তোলা হৈছে। কোনো কোনো ঠাইত সার্থক কবিকল্পনাৰে একোখনি প্ৰভাৱশালী চিত্ৰ অঙ্কন কৰা হৈছে।

বলিছলন ঃ *বলিছলন* কাব্যখনত ভগৱান বিষ্ণুৱে বলিক ছলনা কৰি সুতল পুৰীলৈ পঠোৱাৰ বৰ্ণনা আছে। কাব্যখনৰ আখ্যানভাগ কবিয়ে *ভাগৱত পুৰাণৰ* ৮ম স্কন্ধৰ ১৫-১৮ অধ্যায়ৰ পৰা গ্ৰহণ কৰিছে। অৱশ্যে 'যেন মধু মিশ্ৰে দুগ্ধ স্বাদ বাঢ়ি যায়' বুলি *বামণ পুৰাণৰ* পৰাও কিছু কথা সংযোগ কৰিছে। শঙ্কৰদেৱে ভক্তি ধর্ম প্ৰচাৰৰ উদ্দেশ্যেই এই কাব্য ৰচনা কৰিছে। বৈষ্ণৱ বলিৰ চৰিত্ৰ অঙ্কনত শঙ্কৰদেৱে মুলতকৈও অধিক কৃতিত্ব দাবী কৰিব পাৰে। কাব্যখনত কবিজনাৰ ভাষা আৰু ছন্দ এটা নির্দিষ্ট ধাৰাত, নির্দিষ্ট গতিত প্ৰবাহিত হোৱা দেখা যায়।

কুৰুক্ষেত্ৰ যাত্ৰা ঃ *কুৰুক্ষেত্ৰ যাত্ৰা* শঙ্কৰদেৱে জীৱনৰ শেষৰ ফালে পৰিপক্ক উপলব্ধিৰে ৰচনা কৰিছে। কাব্যখনৰ কাহিনীভাগ ভাগৱতৰ পৰা (১০/৮/৮২-৮৪) গ্ৰহণ কৰা হৈছে। কাব্যখনত ব্ৰজবাসীসকলৰ লগত 'ব্ৰজৰ বান্ধৱ' কৃষ্ণৰ অন্তিম মিলনৰ চিত্ৰ অঙ্কন কৰা হৈছে। এই চিত্ৰৰ পটভূমিত আছে কৌৰৱ-পাণ্ডৱ, যাদৱ, ভাৰতবর্ষৰ অসংখ্য ৰজা-মহাৰজা

আৰু ঋষি-মুণি কুৰুক্ষেত্ৰৰ তীৰ্থত সূৰ্য্যগ্ৰহণ হোৱাৰ একত্ৰ বৰ্ণনাৰে কাব্যখনৰ বৰ্ণনা নাট্যধৰ্মী। ইয়াৰ প্ৰতিটো বৰ্ণনা অন্তৰপৰশি যোৱা। কাব্যখনৰ বৰ্ণনাত ভক্তিবাদত মনোৰম সংযোগ ঘটিছে।

৬.৪.৩ শঙ্কৰদেৱৰ ভক্তিতত্ত্বমূলক গ্ৰন্থ

শঙ্কৰদেৱে চাৰিখন ভক্তিতত্ত্বমুলক গ্ৰন্থ ৰচনা কৰিছে; সেইকেইখন হৈছে— *ভক্তি প্ৰদীপ, অনাদিপাতন, নিমি-নৱসিদ্ধ সংবাদ* আৰু *ভক্তিৰত্নাকৰ*।

ভক্তি প্ৰদীপঃ *ভক্তি প্ৰদীপ* শঙ্কৰদেৱৰ ভক্তিতত্ত্বমূলক গ্ৰন্থকেইখনত ভিতৰত অন্যতম। চৰিত পুথিৰ তথ্য মতে জীৱনৰ আদি ভাগতে শঙ্কৰদেৱে ভক্তি প্ৰদীপ ৰচনা কৰে। কিন্তু মহেশ্বৰ নেওগে মন্তব্য দিছে— "ধৰ্মমতৰ পৰিপুষ্টতা আৰু ৰচনা পদ্ধতিৰ পৰিণত অৱস্থালৈ চাই গুৰুজনাৰ ৮৭/৮৮ বছৰত পুথিখনি বিৰচিত হৈছিল বুলিহে বিন্যাস হয়।" গ্ৰন্থখনত গীতাৰ নিচিনাকৈ শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনৰ জৰিয়তে ভক্তিৰ তত্ত্বৰাজি ব্যাখ্যা কৰা হৈছে। সমালোচনকসকলে মন্তব্য দিছে যে 'অব্যভিচাৰিণী ভক্তি'ৰ লক্ষণ আৰু নীতিৰ বিশদ ব্যাখ্যাই গ্ৰন্থখনৰ উদ্দেশ্য আৰু সিয়েই বৈশিষ্ট্যও।

অনাদি পাতনঃ এই গ্ৰন্থখন শঙ্কৰদেৱৰ এখন দাৰ্শনিক তত্ত্ব প্ৰকাশক গ্ৰন্থ। মহেশ্বৰ নেওগৰ মতে *অনাদি পাতন* গুৰুজনাৰ জীৱনৰ বিয়লি বেলাত ৰচিত হৈছিল। গ্ৰন্থখনৰ আধাৰ হ'ল *ভাগৱত পুৰাণৰ* তৃতীয় স্কন্ধ। সৃষ্টিৰ আদি আৰু প্ৰলয়, প্ৰকৃতি আৰু তত্ত্বসমূহৰ উৎপত্তি, প্ৰাণীৰ বিকাশ, সপ্তদ্বীপ, সপ্তসাগৰ, জ্যোতিশ্চক্ৰ, নৰক, দেহতত্ত্ব আদি কথাবোৰ বৰ্ণনা কৰা হৈছে। এনে জটিল তাত্ত্বিক কথাবোৰ সহজভাৱে ব্যাখ্যা কৰিব পৰাতেই শঙ্কৰদেৱৰ দক্ষতা প্ৰকাশ পাইছে।

নিমি-নৱ সিদ্ধ সংবাদঃ *নিমি-নৱ সিদ্ধ সংবাদ* গ্ৰন্থখন শঙ্কৰদেৱে ভক্তিতত্ত্ব প্ৰকাশৰ উদ্দেশ্যে ৰচনা কৰিছে। *শ্ৰীমদ্ভাগৱত পুৰাণৰ* একাদশ স্কন্ধৰ ২-৫ অধ্যায়ৰ কথাখিনি শঙ্কৰদেৱে সাৱলীল ভাষাৰে এই গ্ৰন্থত অনুবাদ কৰিছে। গ্ৰন্থখনত নিমি ৰজা আৰু নজন সিদ্ধপুৰুষ ক্ৰমে কবি, হৰি, অন্তৰীক্ষ, প্ৰবুদ্ধ, পিপ্পলায়ন, আবিৰ্হোত্ৰ, দ্ৰুমিল, চমস আৰু কৰভাজনৰ কথোপকথনৰ মাধ্যমেৰে ভক্তিতত্ত্বৰ আলোচনা কৰা হৈছে। শঙ্কৰদেৱে ইয়াত গভীৰ দাৰ্শনিক কথা সহজ-সৰলভাৱে প্ৰকাশ কৰিছে।

ভক্তি ৰত্নাকৰঃ ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ *ভক্তি ৰত্নাকৰ* সংস্কৃত ভাষাত ৰচনা কৰা হৈছে। এইখনি এখনি প্ৰকৰণ গ্ৰন্থ। মহাপুৰুষীয়া নামধৰ্মৰ বৈশিষ্ট্য আৰু সাধন প্ৰণালী বিভিন্ন বৈষ্ণৱ গ্ৰন্থৰ ভক্তিপৰ শ্লোকৰ উদ্বৃতিৰে সঙ্কলন কৰা হৈছে। গ্ৰন্থখনৰ চাৰিভাগৰ তিনিভাগ শ্লোক *ভাগৱত পুৰাণৰ* পৰা চয়ন কৰা হৈছে। ইয়াৰ উপৰি *ভগৱৎগীতা, বৃহন্নাৰদীয় পুৰাণ, পদ্ম পুৰাণ, বিষ্ণু পুৰাণ, বৈষ্ণৱানন্দ লহৰী, ভাৱাৰ্থ দীপিকা, সুবোধিনী, শান্তি শতক* আদিৰ পৰাও বচা বচা শ্লোক চয়ন কৰা হৈছে। সমালোচকে মন্তব্য কৰিছে যে এই গ্ৰন্থখনি গুৰুজনাৰ পাণ্ডিত্য আৰু বিশ্লেষণী মনোবৃত্তিৰ নিদৰ্শন।

৬.৪.৪ শঙ্কৰদেৱৰ অনুবাদমূলক ৰচনা কৃতি

শঙ্কৰদেৱৰ প্ৰায়খিনি ৰচনাই অনুবাদমূলক যদিও কেইখনমান গ্ৰন্থ তেওঁ মুলানুগভাৱে অনুবাদ কৰিছে। এইকেইখনক অনুবাদমূলক গ্ৰন্থ আখ্যা দিয়া হৈছে। এনে অনুবাদমূলক ৰচনাৰাজি হ'ল— *ভাগৱত পুৰাণৰ* ১ম, ২য়, ৬ষ্ঠ, ৮ম, ১০ম, ১১শ আৰু ১২শ স্কন্ধ আৰু *উত্তৰাকাণ্ড ৰামায়ণ*।

পণ্ডিতসকলে মন্তব্য কৰিছে যে শঙ্কৰদেৱেই হ'ল অসমত *ভাগৱত* সূচনাকাৰী। অৱশ্যে এই কথাও অনস্বীকাৰ্য্য যে তেওঁৰ পূৰ্বেও অসমত ছেগা-ছোৱোগাকৈ *ভাগৱত* চৰ্চা হৈছিল। শঙ্কৰদেৱৰ পূৰ্বৰ কালছোৱাত বিষ্ণু পুজা আছিল তান্ত্ৰিকতাপূৰ্ণ আৰু *ভাগৱত* চৰ্চাৰ সোঁতটো আছিল তৰাং। শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ লগে লগে পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা অসমত *ভাগৱত* চৰ্চাৰ পথ প্ৰশস্ত আৰু প্ৰৱল হয়। *গুৰু-চৰিত কথাৰ* মতে জগদীশ মিশ্ৰৰ পৰা ভাগৱত পোৱাৰ পিছত শঙ্কৰদেৱে *ভাগৱত* চৰ্চাত মনোযোগ দিয়ে। শঙ্কৰদেৱে ওপৰত উল্লেখ কৰা স্কন্ধসমূহ অনুবাদ কৰি জনসাধাৰণক *ভাগৱতৰ* অমৃত পাণ কৰোৱায়। গুৰুজনাই অৱশ্যে *ভাগৱতৰ* আক্ষৰিক অনুবাদ কৰা নাই; প্ৰয়োজন সাপেক্ষে তেওঁ *ভাগৱতৰ* অনেক কথা হ্ৰস্ব-দীৰ্ঘ কৰিছে। তেওঁ জনসাধাৰণৰ কাৰণে *ভাগৱত* অনুবাদ কৰিছিল আৰু সেই কাৰণে তেওঁ *ভাগৱতৰ* দাৰ্শনিক তত্ত্বসমূহ ভক্ত সমাজৰ আগত উপস্থাপন কৰাৰ প্ৰয়োজন অনুভৱ কৰা নাছিল। গতিকে তেওঁ পাৰ্য্যমানে দাৰ্শনিক তত্ত্বগধুৰ শ্লোকবোৰ বাদ দি গৈছে নাইবা তাৰ ভালেখিনি সৰল ৰূপত প্ৰকাশ কৰিছে।

ভাগৱতৰ কাব্যিক সৌন্দৰ্য্যও মন কৰিবলগীয়া। তেৰাৰ অনূদিত *ভাগৱতৰ* প্ৰতিটো স্কন্ধতে কথাবস্তুৰ লগতে কাব্যিক ৰসপূৰ্ণ ভাষাৰ সমন্বয় ঘটিছে। বৰ্ণনাশক্তি, ভাষা আৰু ছন্দ, ৰস, অলঙ্কাৰ আদিৰ ক্ষেত্ৰত *ভাগৱতৰ* অনুবাদ ৰমনীয়। *ভাগৱতৰ* অনুবাদত তেওঁৰ কবি প্ৰতিভা সুন্দৰকৈ প্ৰকাশ পাইছে।

উত্তৰাকাণ্ড ৰামায়ণঃ ভাৰতবৰ্ষৰ প্ৰান্তীয় ভাষাসমূহৰ ভিতৰত 'পূৰ্ব কবি অপ্ৰমাদী' মাধৱ কন্দলিয়ে পোনতে অসমীয়া ভাষাত মহাকবি বাল্মীকিৰ *ৰামায়ণ* মহাকাব্য অনুবাদ কৰে। বৰহী ৰজা মহামানিক্যৰ পৃষ্ঠপোষকতাত তেওঁ *সপ্তকাণ্ড ৰামায়ণৰ* পদ ভাঙনি কৰে বুলি প্ৰসিদ্ধি আছে যদিও তেওঁৰ পাঁচটা কাণ্ডহে উদ্ধাৰ হৈছে; *আদিকাণ্ড* আৰু *উত্তৰাকাণ্ড* উদ্ধাৰ হোৱা নাই। পৰৱৰ্তী কালত শঙ্কৰদেৱে মাধৱদেৱৰ সহযোগত ক্ৰমে *উত্তৰাকাণ্ড* আৰু *আদিকাণ্ড* যোগ দি এইখন সম্পূৰ্ণ কৰে।

মাধৱ কন্দলিয়ে *ৰামায়ণৰ* গৌড়ীয় পাঠৰ ভিত্তিত অসমীয়া *ৰামায়ণ* ৰচনা কৰিছিল। অৱশ্যে, পণ্ডিতসকলে আঙুলিয়াই দিছে যে গৌড়ীয় পাঠত নথকা দুই-চাৰিটা কথাও মাধৱ কন্দলিৰ *ৰামায়ণত* পোৱা যায়। শঙ্কৰদেৱেও *উত্তৰকাণ্ডৰ* অনুবাদত গৌড়ীয় পাঠকে অনুসৰণ কৰিছে যদিও ঘটনা বিশেষে দুই-এঠাইত আন গ্ৰন্থৰো সহায় লৈছে। সমালোচকে কৈছে, "মহাপুৰুষজনাৰ জাগ্ৰত চেতনাবোধ আৰু সৃষ্টিধৰ্মী প্ৰতিভাই

*উত্তৰাকাণ্ড*ৰ কথাবস্তুৰ প্ৰতিপাদন উজ্বল কৰি তুলিছে। মূলৰ সাৰানুবাদ, কোনো কোনো ঘটনাৰ ভাবানুবাদ, কিছুমান ঘটনাৰ পৰিহাৰ আৰু নিজস্ব সংযোজন হ'ল তেওঁৰ *উত্তৰাকাণ্ড*ৰ বৈশিষ্ট্য।"

উত্তৰাকাণ্ড প্ৰণয়নত শঙ্কৰদেৱৰ শাস্ত্ৰীয় জ্ঞানৰ পৰিপক্কতা, ঘটনা পৰিৱেশনৰ বিচক্ষণতা, পৰিৱেশ চিত্ৰণৰ ৰমণীয়তা আৰু কাব্যিক কলা-কুশলতা অতি সুন্দৰভাৱে প্ৰকাশ পাইছে।

৬.৪.৫ শঙ্কৰদেৱৰ অঙ্কীয়া নাটসমূহ

শঙ্কৰদেৱকে অসমীয়া নাটকৰ জনক আখ্যা দিয়া হয়। শঙ্কৰদেৱে সংস্কৃত নাটকৰ সমলৰ সৈতে থলুৱা লোক নাটৰ উপাদান সংযোগ কৰি নিজস্ব উদ্ভাৱনী প্ৰতিভাৱে নাট ৰচনা কৰে। তেওঁ ৰচনা কৰা নাটকেইখন হ'ল— ১) *চিহ্নযাত্ৰা*, ২) *পত্নী প্ৰসাদ*, ৩) *কালীয় দমন*, ৪) *কেলিগোপাল* বা *ৰাসক্ৰীড়া*, ৫) *ৰুক্মিণী হৰণ*, ৬) *পাৰিজাত হৰণ* আৰু ৭) *ৰামবিজয়*।

চিহ্ন যাত্ৰা ঃ *চৰিত পুথি*ৰ লেখকসকলৰ মতে এইখনে তেওঁৰ প্ৰথম নাট। কিন্তু *চৰিত পুথি*ৰ বিৱৰণৰ বাহিৰে এই নাটখনৰ বিষয়ে অন্য ক'তো উল্লেখ নাই। প্ৰথমবাৰ তীৰ্থ ভ্ৰমণৰ পৰা উভতি আহি জ্ঞাতি কুতুম্বৰ অনুৰোধত শঙ্কৰদেৱে এই নাট ৰচনা কৰি অভিনয় কৰোৱাইছিল বুলি কোৱা হয়। নাটখনত ধেমালিৰ ঘোষা, শ্লোক, সূত্ৰ ভটিমা আৰু গীত আছিল বুলি চৰিতকাৰসকলে উল্লেখ কৰিছে।

পত্নী প্ৰসাদ ঃ এইখন শঙ্কৰদেৱৰ অন্যান্য নাটৰ তুলনাত আপেক্ষিকভাৱে চুটি। এদিনাখন গৰু চৰাওতে ভোক-পিয়াহত আতুৰ হৈ গোপ-বালকসকলে কৃষ্ণৰ ওচৰত আহাৰ ভিক্ষা কৰিলে। সেই সময়ত ব্ৰাহ্মণসকলে ওচৰতে যজ্ঞ পাতিছিল। কৃষ্ণৰ উপদেশ মতে গোপসকলে ব্ৰাহ্মণসকলৰ ওচৰলৈ গ'ল আৰু আহাৰ ভিক্ষা কৰিলে। কিন্তু ব্ৰাহ্মণসকলে তেওঁলোকক বিমুখ কৰিলে; আনকি কৃষ্ণকো নানা প্ৰকাৰে ককৰ্থনা কৰিলে। তেতিয়া কৃষ্ণই ব্ৰাহ্মণ পত্নীসকলৰ ওচৰত 'প্ৰসাদ' বিচাৰি আহিল। কৃষ্ণ অহা বুলি গম পাই তেওঁলোকে নতজানু হৈ কৃষ্ণক মান-সৎকাৰ কৰিলে। তেতিয় ব্ৰাহ্মণসকলেও কৃষ্ণৰ মহিমা উপলব্ধি কৰি তেওঁৰ ওচৰত শৰণাপন্ন হ'বলৈ বাধ্য হ'ল। নাটকখনত এটা নন্দী শ্লোক থকাৰ পৰিৱৰ্তে মুক্তিমঙ্গল ভটিমা নাই। নাটখন ১৫২১ খ্ৰীঃৰ ভিতৰত লিখা হয় বুলি ঠাৱৰ কৰা হৈছে।

কালীয় দমন ঃ *গুৰু-চৰিত কথা* মতে শ্ৰীৰাম ৰায় বা জগতানন্দৰ ইচ্ছাত শঙ্কৰদেৱে এই নাট ৰচনা কৰে। শ্ৰীকৃষ্ণই কালীয় হ্ৰদত থকা কালী নাগক দমন কৰা ভাগৱতৰ বিখ্যাত কাহিনীক লৈ এই নাট ৰচনা কৰা হৈছে। অৱশ্যে মহাপুৰুষে শ্ৰীকৃষ্ণৰ ঐশ্বৰিক মহিমা প্ৰকাশ কৰাৰ উদ্দেশ্য বনাগ্নি পান ঘটনাংশও নাটখনত সংযোগ কৰিছে। নাটখনৰ মুখ্য ৰস 'ভক্তি', গৌণ ৰস 'কৰুণ' আৰু 'ভয়ানক'। নাটকখন প্ৰতীকধৰ্মী। কালীনাগ দুষ্ট,

দুর্দান্ত শক্তিৰ প্রতীক, উৎপীড়ক, অত্যাচাৰী; শ্রীকৃষ্ণ দুষ্টক দমন আৰু সাধুক পৰিত্রাণ কৰোঁতা, কালীনাগ পাপ-সাগৰত ডুব গৈ থকা সাংসাৰিক মানুহৰো প্রতীক। এনে জ্বালা-যন্ত্রণাময় সংসাৰৰ পৰা উদ্ধাৰ পোৱাৰ একমাত্র উৎকৃষ্ট উপায় হ'ল ঈশ্বৰৰ চৰণত শৰণ লোৱা। এনে ইঙ্গিতো নাটখনিত পোৱা যায়।

কেলি গোপাল: এইখন শঙ্কৰদেৱৰ এখন পূর্ণাঙ্গ ৰসমধুৰ গীতিবহুল নাট। এদিন শাৰদীয় পূর্ণিমা ৰাতি শ্রীকৃষ্ণই যমুদাৰ পাৰত বহি সুমধুৰ সুৰে গীত গাই আছিল। তেওঁৰ সুমধুৰ গীত শুনি বৃন্দাবনৰ গোপীসকল উত্রাৱল হৈ পৰিল আৰু শ্রীকৃষ্ণৰ সৈতে ৰাসক্রীড়াত মিলিত হ'ল। তেনে সময়তে *শঙ্খচূড়* নামেৰে এটা যক্ষ গোপী হৰণৰ উদ্দেশ্য তাত উপস্থিত হ'ল। কিন্তু শ্রীকৃষ্ণৰ শক্তিৰ আগত সি তিষ্ঠিব নোৱাৰিলে। গোপীসকলে কৃষ্ণৰ সৈতে ৰাসক্রীড় কৰোঁতে ৰাতি পুৱাল। গোপীসকলে হুমুনিয়াই কাঢ়িলে।

নাটখন আধ্যাত্মিক ভাবত প্রতিষ্ঠিত, ভক্তিৰসে প্লাৱিত আৰু শৃঙ্গাৰ ৰসেৰে পৰি পুষ্ট। নাট্যকাৰে নিজে এই নাটখনত 'কামজয়' আখ্যা দিছে। নাট্যকাৰে বুজাইছে যে বৃন্দাবনৰ গোপীসকল মায়াবদ্ধ ভক্তৰ প্রতীক, শ্রীকৃষ্ণ মায়ামুক্ত ভগৱান। লৌকিক দৃষ্টিত মাথোন শ্রীকৃষ্ণ গোপীসকলৰ প্রেম পাশত আবদ্ধ।

ৰুক্মিণী হৰণ ঃ এই নাটখন শঙ্কৰদেৱৰ এখন পূর্ণাঙ্গ নাট। *ভাগৱত পুৰাণ* আৰু *হৰি বংশৰ* কথাবস্তুৰ আধাৰত ৰচনা কৰা এই নাটখনতো ৰামৰায়ৰ খেচখেচনি নাট্যকাৰে স্বীকাৰ কৰিছে। কুণ্ডিল-কুঁৱৰী ৰুক্মিণী আৰু দ্বাৰকাৰ শ্রীকৃষ্ণৰ মাজত পূর্ৱৰাগ, শ্রীকৃষ্ণলৈ ৰুক্মিণীক বিয়া দিবৰ বাবে ৰজা ভীষ্মকৰ সিদ্ধান্ত, ৰুক্মবীৰৰ বাধা আৰোপ আৰু শিশুপাললৈ ৰুক্মিণীক বিয়া দিয়াৰ যো-জা, ৰুক্মিণীৰ শোক আৰু শেষত বেদনিধিক সন্দেশ-পত্রসহ কৃষ্ণৰ ওচৰলৈ প্রেৰণ, কৃষ্ণৰ কুণ্ডিলত উপস্থিত, *ৰুক্মিণী হৰণ,* অন্যান্য ৰজাসৰৰ সৈতে কৃষ্ণৰ যুদ্ধ, আনকি ৰুক্মবীৰৰ সৈতেও যুদ্ধ, ৰজাসৰ আৰু ৰুক্মবীৰৰ পৰাভৱ, ৰুক্মিণী সহিত কৃষ্ণৰ দ্বাৰকাত উপস্থিত আৰু তাত বিধিৱৎ ৰং-ৰহস্যৰ মাজেদি কৃষ্ণ-ৰুক্মিণীৰ বিবাহ কার্য্য সম্পাদন —এয়াই নাটখনৰ মূল কথাবস্তু।

এইখন কেৱল ধর্মমূলক বা প্রচাৰধর্মী নাটেই নহয়, শৃঙ্গাৰ আৰু বীৰৰসৰ মধুৰ সংমিশ্রণত এখনি সর্বাঙ্গসুন্দৰ উপাদেয় ৰচনা। নাটখনত নাট্যকাৰৰ মৌলিকতাও লক্ষণীয়। বিশেষকৈ সুৰভি আৰু হৰিদাস ভাট, বেদনিধি বাপু আদি চৰিত্র সৃষ্টিত তেওঁ বিৰল কৃতিত্ব প্রদর্শন কৰিছে।

পাৰিজাত হৰণ ঃ এই নাটখনক শঙ্কৰদেৱে নিজে 'অনুপাম' নাট আখ্যা দিছে—

পাৰিজাত হেনো নাম অঙ্ক মহা অনুপাম কৰিলা শঙ্কৰে তাত পাছে।

শঙ্কৰদেৱে এই নাটখন *বিষ্ণু পুৰাণ, ভাগৱত পুৰাণ*আৰু *হৰিবংশৰ* পৰা আখ্যানৰ অংশ গ্রহণ কৰি ৰচনা কৰিছে। নাটকখনৰ ঘটনা মূলতঃ শ্রীকৃষ্ণই পত্নী সত্যভামাৰ সৈতে ইন্দ্রলোকলৈ গৈ দুষ্প্রাপ্য পাৰিজাত ফুলৰ গছজোপা শিপাৰে সৈতে উভালি অনা। মাজতে নৰকাসুৰক বধ কৰাৰ ঘটনাংশ জুৰি দিয়া হৈছে।

ভক্তি ৰসৰ অন্তৰালত বীৰৰস, শৃঙ্গাৰ ৰস আৰু হাস্য ৰসৰ সংমিশ্রণ নাটখনত দেখা যায়। নাটখনৰ নাৰদ, সত্যভামা, শশী আদিৰ চৰিত্রকেইটা অতি মনোমোহা। সত্যভামা আৰু শশীৰ মাজত যিখন বাক্‌যুদ্ধ, ই প্রকৃততে অসমীয়া পোহাৰীৰ মুখ-চুপতিৰ নামান্তৰ। আনহাতে নাৰদ চৰিত্রও অতি টুটকীয়া ৰূপত অংকিত হৈছে। তেওঁ পাৰিজাত ফুল আনি ৰুক্মিণী আৰু সত্যভামা —দুই সতিনীয়েকৰ মাজত ঈর্ষা আৰু প্রতিযোগিতাৰ ভাব জাগ্রত কৰাত ইন্ধন যোগাইছে আৰু শ্রীকৃষ্ণৰো তিৰুতা-সেৰুৱা স্বভাৱটি উদঙাই দিছে। ***ৰাম বিজয়ঃ*** এই নাটকখন *ৰামায়ণৰ* আখ্যান সম্বলিত। নাটখনৰ কাহিনী মূলতঃ ৰামচন্দ্রই স্বয়ম্বৰ সভাৰ পৰা লক্ষ্য পূৰণ কৰি সীতাক পত্নীৰূপে গ্রহণ কৰা ঘটমাংশ। তাৰ লগতে বিশ্বামিত্র ঋষিৰ যজ্ঞ ৰক্ষা কৰা কাহিনীভাগ সন্নিৱিষ্ট হৈছে।

নাটখন ৰচনা কৰোঁতে শঙ্কৰদেৱে মূল পুথিৰপৰা বহুখিনি আঁতৰি আহিছে। উদাহৰণ স্বৰূপে, *ৰামায়ণত* বিশ্বমিত্রই ৰাম-লক্ষ্মণক 'অজগব' ধনুখন দেখুৱাবলৈহে লৈ গৈছিল, হৰধনু ভঙ্গ আৰু জানকীক লাভ কৰা ঘটনা আকস্মিক বা দৈবিক। কিন্তু নাটখনত বিশ্বমিত্রই নিজেই তেওঁলোকক এই উদ্দেশ্য সেই ঠাইলৈ নি তেওঁৰ মনৰ অভিলাস কার্য্যত পৰিণত কৰিছে। নাটখনত নাট্যকাৰৰ নাট্য শিল্পৰ ভালেখিনি চাতুর্য্য চকুৰ পৰে। নাটকখনৰ মূল ৰস ভক্তি; অৱশ্যে বীৰ, শৃঙ্গাৰ আৰু হাস্য ৰসেও প্রাধান্য লাভ কৰিছে। চৰিত্র ৰূপায়ণতো সজীৱতা লক্ষ্য কৰা যায়।

৬.৪.৬ শঙ্কৰদেৱৰ গীতসমূহ

সমগ্র বৈষ্ণৱ যুগটো কাব্য আৰু নাট্যৰ বাবে যিদৰে প্রখ্যাত, সেইদৰে গীতি-সাহিত্যৰ বাবেও অগ্রণী। বৈষ্ণৱ গীতি সাহিত্যৰ ক্ষেত্রত শঙ্কৰদেৱ এগৰাকী মননশীল গীতিকাৰ। তেওঁ মূলতঃ তিনি শ্রেণীৰ গীত ৰচনা কৰি গীতি-সাহিত্যৰ ভঁৰাল চহকী কৰিছে। সেই তিনি শ্রেণীৰ গীত হ'ল বৰগীত, ভটিমা আৰু নাটৰ গীত।

বৰগীত ঃ বৰগীতসমূহ অসমীয়া বৈষ্ণৱ সাহিত্যৰ এটি গুৰুত্বপূর্ণ শাখা আৰু অসমীয়া গীতি সাহিত্যৰ ক্ষেত্রতো এই গীতসমূহৰ সাহিত্যিক, সংগীতিক আৰু ঐতিহাসিক গুৰুত্ব অপৰিসীম। বৰগীতৰ স্রষ্টা শ্রীমন্ত শঙ্কৰদেৱ আৰু শ্রীমাধৱদেৱ। শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা ভক্তিমূলক গীতসমূহকহে বৰগীত বোলা হয়। সেই কাৰণে মহেশ্বৰ নেওগ আদি পণ্ডিতে বৰগীতক গুৰু দুজনাৰ দ্বাৰা ৰচিত গীতৰ এটি থূপ বা থূল বুলিছে।

বৰগীতসমূহক কালিৰাম মেধিয়ে 'মহান গীত' বা 'স্বর্গীয় গীত' (Great Song বা Song Celestial), দেবেন্দ্রনাথ বেজবৰুৱাই 'পৰিত্র গীত (Holy Song) আৰু বাণীকান্ত কাকতিয়ে Noble Numbers আখ্যা দিছে। মহেশ্বৰ নেওগে বৰগীতৰ কেইটামান নিজস্ব বৈশিষ্ট্য উল্লেখ কৰিছে। সেইকেইটা হ'ল— ১) বৰগীতৰ ভাষা ব্রজাৱলী, ২) বিষয়বস্তুৰ সংৰক্ষণশীলতা বা সংযম (Reticence), ৩) বিষয়বস্তু, উদ্দেশ্য আৰু উপলক্ষ্য অনুসৰি বৰগীতত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ ৰাগৰ সংযোজনা, ৪) চৈধ্য

প্ৰসঙ্গৰ পৰিক্ৰমাত স্থান আৰু ৫) সীমাবদ্ধ পৰিত্ৰতা। বৰগীত অসমৰ 'ক্লাচিকেল' বা ধ্ৰুপদী সঙ্গীত।

চৰিত পুথিৰ সৈতে শঙ্কৰদেৱে বাৰকুৰি বৰগীত ৰচনা কৰিছিল। বৰগীতৰ পুথিখন কমলা গায়ন নামৰ ভকত এজনে ঘৰতে আওঁৰাবলৈ নিছিল। কিন্তু তেওঁৰ ঘৰত জুই লাগি আটাইবোৰ গীত জুইত পুৰি নষ্ট হ'ল। এনে অনাকাঙ্ক্ষিত ঘটনাত দুখ পাই গুৰুজনাই মাধৱদেৱক দুখেৰে ক'লে— "বৰাৰ পো, অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে। গীত কিছু কৰা আমি নকৰো আৰু।"

শঙ্কৰদেৱৰ গীতখিনি নষ্ট হ'ল যদিও ভকত-আতৈৰ মুখত কেইটামান গীত ৰৈ গৈছিল। তেনে গীতৰ সংখ্যা চৌত্ৰিশটা। এই চৌত্ৰিশটা সংৰক্ষিত বৰগীতৰ মাজেদি এগৰাকী নিপুণ গীতিকাৰ আৰু ওজা সঙ্গীতকাৰৰ ৰূপত শঙ্কৰদেৱৰ নৈপুণ্য প্ৰকাশ পাইছে। এই সন্দৰ্ভত সমালোচকৰ মন্তব্য প্ৰণিধানযোগ্য, "গ্ৰন্থতে যেনেকৈ গীতৰ উপযোগী ভাষা, তালৰ উপযোগী ছন্দ, অনুপ্ৰাসযুক্ত শব্দৰ ধ্বনি-প্ৰতিধ্বনি আৰু শ্ৰুতিমধুৰ সুৰৰ সমন্বয়ত তেওঁৰ বৰগীতে নিটোল সাঙ্গীতিক ৰূপ পাইছে।আনহাতে, সংযত প্ৰকাশ-ভঙ্গী আৰু ভক্তি বিগলিত গভীৰ ভাবাদৰ্শই তাৰ সাহিত্যিক সুষমা অন্তৰস্পৰ্শীকৈ প্ৰকাশ কৰিছে। অসাধাৰণ কবি আৰু নিপুণ শিল্পী শঙ্কৰদেৱে গীতৰ ঠেক গণ্ডীৰ মাজতে একোটা তীব্ৰ অনুভূতি বা গভীৰ আধ্যাত্মিক উপলব্ধি মনোৰম ৰূপত প্ৰকাশ কৰিছে।"

শঙ্কৰদেৱৰ বৰগীতৰ ভাব আৰু বিষয়বস্তু কৃষ্ণকেন্দ্ৰিক। তেওঁ বৰগীতসমূহ মাজেৰে কৃষ্ণৰ গুণ-গান আৰু বন্দনা কৰিছে। লগতে কবিয়ে আন সকলোকে কৃষ্ণ ৰূপী বিষ্ণুৰ চৰণত শৰণ ল'বলৈ আকুল আহ্বান জনাইছে। বাণীকান্ত কাকতিয়ে ক'বৰ দৰে সংসাৰৰ বিষয় বাসনাৰ ক্ষণভঙ্গুৰতা আৰু অসমতাৰ বিপৰীতে হৰিভক্তিৰ শ্ৰেষ্ঠত্ব আৰু সাৰৱত্তা প্ৰতিপন্ন কৰি সংসাৰী মানুহৰ মন আকৰ্ষণ কৰিবলৈ শঙ্কৰদেৱে সৰহভাগ বৰগীততে প্ৰয়াস কৰিছে। সেয়ে তেওঁৰ ১৯টা গীত প্ৰাৰ্থনাসূচক। কেইটামান বৰগীতত শ্ৰীকৃষ্ণৰ (কেতিয়াবা শ্ৰীৰাম) ৰূপৰ বৰ্ণনা প্ৰকাশ পাইছে। কেইটামান গীতত ভাবপ্ৰকাশৰ ৰীতি অলপ ভিন্ন। যেনে— 'শুণ শুণ ৰে সুৰ ' বৰগীতটো সমৰ গীতৰ ৰূপত ধৰ্মোপদেশ। কেইটমান গীত গোপীবিৰহকলৈ লিখা। আকৌ 'ষড়ছন্দৰ গীত' বুলি প্ৰচলিত বিৰহৰ গীত তিনিটাৰ প্ৰকৃতি অলপ সুকীয়া। এই গীত কেইটাৰ গঠন আন বৰগীতৰ লগত নিমিলে; অৱশ্যে বিষয়ৱস্তুৰ ফালৰপৰা গোপী বিৰহৰ গীতকেইটাৰ লগত মিলে।

শঙ্কৰদেৱৰ বৰগীতসমূহৰ অন্তৰ্নিহিত মূলভাব হ'ল দাস্য। তেওঁ গীতবোৰৰ ভণিতা পেলাইছে 'কৃষ্ণৰ কিঙ্কৰ শঙ্কৰ কহ', 'দাস দাস বুলি তাৰহু' ইত্যাদি ধৰণে। প্ৰকৃতপক্ষে অসমীয়া বৈষ্ণৱ সাহিত্যৰ সকলো শাখালৈ এই দাস্যভাব বিয়পি পৰিছে।

ভটিমা ঃ ভটিমা মূলতঃ স্তুতিপ্ৰধান কবিতা। সাধাৰণতে এইবোৰ গুণ গৰিমা প্ৰকাশক গীত, য'ত প্ৰকাশভঙ্গীৰ বিশেষ গাম্ভীৰ্য্য থাকে। ভটিমাৰ বিষয়বস্তু উচ্চ ভাববিশিষ্ট। শঙ্কৰদেৱে নাটভটিমা, দেৱভটিমা আৰু ৰাজভটিমা —এই তিনি শ্ৰেণীৰ ভটিমা ৰচনা কৰে।

শঙ্কৰদেৱে নাটকেইখনত ব্যৱহাৰ কৰা ভটিমা কেইটাক নাট ভটিমা আখ্যা দিয়া হয়। নাট ভটিমাক তিনিটা শ্রেণীত ভাগ কৰা হয়। যেনে— নাটৰ আদিতে দিয়া ভটিমা, নাটৰ শেষত দিয়া ভটিমা বা মুক্তিমঙ্গল ভটিমা, নাটকীয় কাহিনীৰ অগ্রগতিত সহায় কৰিব পৰাকৈ নাটৰ মাজত দিয়া ভটিমা।

দেৱতাৰ প্রশস্তিমূলক ভটিমাই হৈছে দেৱ ভটিমা। উপাস্য দেৱতা কৃষ্ণৰ অপৰূপ ৰূপবর্ণনা, ঐশ্বৰিক গুণ কীর্ত্তনেই দেৱ ভটিমাৰ বিষয়বস্তু। এই ভটিমাসমূহৰ যোগেদি ভক্ত আৰু ভগৱানৰ মাজত যোগসূত্র সুসম্পন্ন কৰাৰ প্রয়াস পোৱা যায়।

শঙ্কৰদেৱে ৰজাৰ যশ-গুণ-কীর্ত্তন কৰি কেইটিমন ভটিমা ৰচনা কৰে। এই ভটিমাকেইটাক ৰাজভটিমা আখ্যা দিয়া হয়। ৰাজভটিমাত কাব্যকলাৰ চমৎকাৰিত্ব দেখা নাযায়। ৰজা মল্লধ্বজ বা নৰনাৰায়ণৰ যশ-গুণ-কীর্ত্তন কৰি শঙ্কৰদেৱে ৰচনা কৰা ৰাজভটিমা কেইটাৰ যোগেদি ৰজাৰ প্রতি আনুগত্য প্রকাশ পাইছে।

নাটৰ গীত ঃ শঙ্কৰদেৱৰ নাটসমূহ গীতিমুখৰ। নাট আৰম্ভ হয় গীতেৰে, নাটকীয় কাহিনী আগবাঢ়ে গীতৰ মাধ্যমেৰে আৰু পৰিসমাপ্তিত ঘটে গীতৰ মাধ্যমেৰে। নাটৰ গীতসমূহৰ পৰাই নাটকীয় কাহিনীটো পাব পাৰি। শঙ্কৰদেৱৰ নাটৰ গীতসমূহক তিনিটা ভাগত ভাগ কৰা হয়— ভক্তিপ্রধান ভটিমা, কাহিনীৰ আৰম্ভণি প্রাসঙ্গিক গীত আৰু নাটকীয় চৰিত্রৰ সুখ-দুখ জ্ঞাপক গীত (ইয়াতে ভটিমাৰ বিষয়ে ওপৰত আলোচনা কৰা হৈছে) বা বিলাপ। গীতসমূহত শঙ্কৰদেৱৰ কবিত্ব প্রতিভা উজ্বলি আছে।

টোটয় আৰু চপয় ঃ 'টোটয়' এই পদটো সংস্কৃত 'টোটক' বা 'তোটক' শব্দৰপৰা উদ্ভৱ হৈছে। চৰিত পুথিয়ে সাক্ষ্য দিয়ে যে নৰনাৰায়ণৰ ৰাজসভাত থকা কালত তেওঁ টোটক ছন্দত তলৰ শ্লোকটো ৰচনা কৰিছিল; যথা,

মধু দানৱ-দাৰণ-দেৱ-ৰৱম্ ।
ৰৱ-ৰাৰিজ-লোচন-চক্র-ধৰম্।।
ধৰণী ধৰ ধাৰণ ধ্যেয়-পৰম্।
পৰমার্থ-ৰিদ্যাশুভ-নাশ- কৰম।।

টোটয়ৰ দৰে চপয় ছন্দত ৰচিত স্তৱ বা গুণ বর্ণনাক চপয় বোলা হয়। যেনে—

শুণ শুণ ৰুক্মিণী আই।
কৃষ্ণ গুণ কহন নাযাই।।
মুখ ইন্দু কৌটি পৰকাশ।
দশন মেতিম মন্দ হাস।।"

৬.৪.৭ শঙ্কৰদেৱৰ নাম প্রসঙ্গমূলক গ্রন্থ

কীর্ত্তন ঘোষা ঃ নৱবিধ ভক্তিৰ ভিতৰত শ্রৱণ-কীর্তনক মুখ্য স্থান দিয়া হৈছে। প্রকৃত পক্ষে কীর্ত্তনতে শ্রৱণৰ গুণ সিজে। নিজে গোৱা বা আবৃত্তি কৰা অথবা আনে গোৱা বা

আবৃত্তি কৰা ভগৱানৰ নাম বা লীলামালাক *কীৰ্ত্তন* বোলা হয়। আনহাতে, ভগৱন্তৰ লীলামালা শুনা কার্যই শ্ৰৱণ। বৈষ্ণৱ ধর্মত *কীৰ্ত্তনৰ* অপৰিসীম গুৰুত্ব আছে আৰু এই অভাবটি পূৰণ কৰিবৰ অর্থে শঙ্কৰদেৱে সময়ে সময়ে যিবোৰ ঘোষা ৰচনা কৰিছিল সেইবোৰৰ সঙ্কলিত ৰূপেই *কীৰ্ত্তন ঘোষা*। ধর্ম প্ৰচাৰৰ কালছোৱাত বিভিন্ন সময়ত তেওঁ *কীৰ্ত্তন*বোৰ ৰচনা কৰিছিল। ঘোষাবোৰ একত্ৰে সঙ্কলিত হৈ থকাৰ পৰিবর্তে হাজো, দক্ষিণকূল, বৰপেটা, বৰনগৰ, কালজাৰ আদি ঠাইত সিঁচৰতি হৈ আছিল। গুৰুজনাৰ মহাপ্ৰয়াণৰ পাছত মাধৱদেৱৰ আজ্ঞানুসৰি তেওঁৰ ভাগিন ৰামচৰণ ঠাকুৰে *কীৰ্ত্তন ঘোষাৰ* বিভিন্ন খণ্ডবোৰ সংগ্ৰহ কৰে।সমালোচকে মন্তব্য দিছে যে *কীৰ্ত্তন ঘোষাৰ* সঙ্কলন-সম্পাদন আনুমানিক ১৫৯৪ৰ পাৰ ১৫৯৬ খ্ৰীঃৰ ভিতৰত সম্পাদন হয়। *কীৰ্ত্তন ঘোষাৰ* বর্তমানৰ ক্ৰম স্থিৰ কৰিছিল ৰামচৰণ ঠাকুৰে আৰু তাক অনুমোদন জনাইছিল মাধৱদেৱে।

কীৰ্ত্তন ঘোষা শঙ্কৰদেৱৰ নিজৰো অতি প্ৰিয় গ্ৰন্থ আছিল। এই ঘোষা শাস্ত্ৰখন অসমৰ বৈষ্ণৱ সাহিত্যৰ এখন অনুপম গ্ৰন্থ। উত্তৰ ভা�ৰতত *ৰাম চৰিত মানসৰ* এক উচ্চ স্থান আছে; সেইদৰে অসমতো *কীৰ্ত্তন ঘোষাৰ* এক উচ্চ স্থান আছে। এইখন আখ্যানমূলক ভক্তি কাব্য। ইয়াৰ তিনিটা খণ্ডৰ ('উৰেষা বর্ণন', 'নামাপৰাধ' আৰু 'পাষণ্ড মর্দন') বাহিৰে আটাইকেইটা খণ্ড *ভাগৱত পুৰাণৰ* আখ্যানেৰে ৰচিত। আচলতে *ভাগৱতৰ* বছা বছা কাহিনী লৈ শঙ্কৰদেৱে *কীৰ্ত্তন ঘোষা* ৰচনা কৰে।

কীৰ্ত্তন ঘোষাত মুঠ চাব্বিছটা খণ্ড আছে; যথা— চতুর্বিংশতি অৱতাৰ বর্ণন, নাম অপৰাধ, পাষণ্ড মর্দন, ধ্যান বর্ণন, অজামিল উপাখ্যান, প্ৰহ্লাদ চৰিত্ৰ, গজেন্দ্ৰ উপাখ্যান, হৰ মোহন, বলি ছলন, শিশু লীলা, কালীয় দমন, ৰাম ক্ৰীড়া, কংস বধ, গোপী-উদ্ধৱ সংবাদ, কুঁজীৰ বাঞ্ছা পূৰণ, অক্ৰূৰৰ বাঞ্ছা পূৰণ, জৰাসন্ধৰ যুদ্ধ, কাল যৱন বধ, মুচুকুন্দ স্তুতি, স্যমন্তক হৰণ, নাৰদৰ কৃষ্ণ দর্শন, বিপ্ৰ পুত্ৰ আনয়ন, দামোদৰ বিপ্ৰ উপাখ্যান, দৈৱকীৰ পুত্ৰ আনয়ন, বেদস্তুতি, লীলামালা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, সহস্ৰ নামবৃত্তান্ত, উৰেষা বর্ণন, *ভাগৱত* তাৎপর্য্য আৰু ঘুনুচা *কীৰ্ত্তন*।

কীৰ্ত্তনত সন্নিৱিষ্ট *সহস্ৰ নামবৃত্তান্ত* আৰু *ঘুনুচা কীৰ্ত্তন*, শঙ্কৰদেৱৰ নিজৰ ৰচনা নহয়। ইয়াৰে প্ৰথমটি ৰত্নাকৰ কন্দলি আৰু দ্বিতীয়টি শ্ৰীধৰ কন্দলিৰ ৰচনা।


কীৰ্ত্তন ঘোষাত ঈশ্বৰ শ্ৰীকৃষ্ণৰ স্বৰূপ নির্ণয় কৰা হৈছে। ভগৱান শ্ৰীকৃষ্ণই জীৱক সততে কৃপা কৰে। এই কৃপাক বৈষ্ণৱসকলে প্ৰসাদ তত্ত্ব বোলে। *কীৰ্ত্তন ঘোষাৰ* বিভিন্ন খণ্ডত এই প্ৰসাদতত্ত্ব প্ৰকাশ পাইছে। ইয়াৰ উপৰি নিষ্কাম ভক্তি, দাস্য ভাব; সৎসঙ্গ তত্ত্ব, অৱতাৰ তত্ত্ব, শ্ৰীকৃষ্ণৰ অপার্থিৱ মহিমাৰ *কথা কীৰ্ত্তনৰ* মাজত উজ্বলি আছে।

নান্দনিক দিশৰ ফালৰ পৰাও *কীৰ্ত্তন* এক মহৎ সৃষ্টি। কাহিনী বা কথাবস্তু উপস্থাপনৰ বৈচিত্ৰ্য, চৰিত্ৰ সৃষ্টিৰ বৈচিত্ৰ্য, অৱস্থা বা পৰিৱেশ বর্ণনাৰ সার্থকতাৰ ফালৰপৰা *কীৰ্ত্তন* মহৎ সৃষ্টি। তদুপৰি সমকালীন পটভূমি বা তন্ময় চৰিত্ৰৰ চিত্ৰণে *কীৰ্ত্তনৰ* সৌন্দর্য্য বৃদ্ধি কৰিছে। *কীৰ্ত্তনে* মানবীয় প্ৰমূল্যৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে।

কীৰ্ত্তনত শৃঙ্গাৰ, বীৰ, ৰৌদ্ৰ, শান্ত আদি ৰসৰ সমাৱেশ হৈছে; কিন্তু ৰসবোৰ শেষত ভক্তিৰসত লীন গৈছে। মুঠতে *কীৰ্ত্তন* শঙ্কৰদেৱৰ কালজয়ী মহৎ সৃষ্টি; শিল্পকৰ্ম হিচাপে যিদৰে মহৎ, সামাজিক সংহতি স্থাপনতো *কীৰ্ত্তনৰ* সুদূৰপ্ৰসাৰী ভূমিকা আছে।

***গুণমালা*ঃ** এই পুথিখন শঙ্কৰদেৱৰ বিশাল পাণ্ডিত্যৰ পৰিচায়ক। গ্ৰন্থখন *ভাগৱত পুৰাণৰ* সাৰ স্বৰূপ। *গুণমালা* পুথিখনৰ সন্দৰ্ভতে 'গুৰু জনাই হাতী মাৰি ভুৰুকাত ভৰোৱা' প্ৰবাদ বাক্য প্ৰচলিত আছে। মহাৰাজ নৰনাৰায়ণৰ ইচ্ছানুসৰি শঙ্কৰদেৱে একেটা বৈঠকতে পঢ়িব পৰাকৈ এই পুথিখন ৰচনা কৰে।

গুণমালা অতি কম সময়ৰ ভিতৰতে ব্যক্তিগত বা সমূহীয়াভাৱে গাব পৰা এখন নাম-প্ৰসঙ্গমূলক পুথি। ই এখন ভক্তি উদ্ৰেককাৰী গ্ৰন্থও। এইখন ছয় আখৰীয়া কুসুমমালা ছন্দত ৰচিত, গাঁথনি ষড়মাত্ৰিক হোৱা বাবে ইয়াৰ মাজত গীতিময় ভাবৰ উদ্ৰেক হৈছে। গ্ৰন্থখনৰ মাজেৰে বৈষ্ণৱ ধৰ্মৰ মূল বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰাৰ প্ৰয়াস পোৱা হৈছে। "কলি কালত যে জ্ঞানতকৈ ভক্তি শ্ৰেষ্ঠ আৰু ভক্তি মুক্তিৰ একমাত্ৰ পথ, ই মুকুতি সুখতকৈও বেছি তৃপ্তিদায়ক" —এই কথাখিনিকে বিভিন্ন ঘটনাৰ সংমিশ্ৰণত কাব্যিক ভাষাৰে ব্যক্ত কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ *কীৰ্ত্তন ঘোষাৰ* কাব্য শোভা সম্পৰ্কে বহলাই আলোচনা কৰক। (২০০-৩০০টা শব্দৰ ভিতৰত লিখক)



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সৰ্বভা�ৰতীয় পৰ্য্যায়ৰ পৰা অসমলৈ ভক্তি আন্দোলনৰ পটভূমি সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলো।
- শঙ্কৰদেৱৰ বিশাল সাহিত্য প্ৰতিভাৰ সৈতে পৰিচিত হ'লো।
- শঙ্কৰদেৱে তেওঁৰ দ্বাৰা প্ৰচাৰিত ভাগৱতী ধৰ্ম প্ৰচাৰৰ আহিলা হিচাপে যে সাহিত্যক মাধ্যম হিচাপে গ্ৰহণ কৰিছিল সেই সম্পৰ্কে জ্ঞাত হ'লো।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কাকতি, বাণীকান্ত (১৯৫৮); *পুৰণি অসমীয়া সাহিত্য*; গুৱাহাটী।

২) গোস্বামী, যতীন্দ্ৰনাথ (১৯৮৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*; গুৱাহাটী।

৩) গোহাঁই, হীৰেন (১৯৮১); *কীৰ্ত্তন পুথিৰ ৰস বিচাৰ*; গুৱাহাটী।

৪) গোহাঁই, হীৰেন (১ম খণ্ড) (১৯৮৭); *অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা*; গুৱাহাটী।

৫) গোহাঁই, হীৰেন (২য় খণ্ড) (১৯৯৩); *অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা*; গুৱাহাটী।

৬) চলিহা, ভৱপ্রসাদ (সম্পা.) (১৯৬৪); *মহাপুৰুষ শঙ্কৰদেৱ*; গুৱাহাটী।

৭) চলিহা, ভৱপ্রসাদ (সম্পা.) (১৯৮৭); *শঙ্কৰ অভিক্ষেপ*, গুৱাহাটী।

৮) চলিহা, ভৱপ্রসাদ (সম্পা.) (১৯৭৮); *শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন*, গুৱাহাটী।

৯) চলিহা, ভৱপ্রসাদ (সম্পা.) (১৯৮৯); *শঙ্কৰী সাহিত্যৰ সমীক্ষা*, নগাঁও।

১০) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী।

১১) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৭৮); *অসমীয়া সাহিত্যৰ বুৰঞ্জী*; অবিলেক, অসম।

১২) মহন্ত, প্রদীপজ্যোতি (২০০৭); *শঙ্কৰদেৱৰ শিল্পলোক*; গুৱাহাটী।

১৩) শর্মা, সত্যেন্দ্রনাথ (১৯৮৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী।

১৪) শর্মা, সত্যেন্দ্রনাথ (১৯৮৮); *পুৰণি সাহিত্য অধ্যয়ন*; গুৱাহাটী।

ইংৰাজী গ্রন্থ ঃ

১৫) Baruah, Birinchi Kumar (1978); *Sankardeva: Vaishavite Sainto Assam*; Sahitya Academi, New Delhi.

১৬) Baruah, Birinchi Kumar (1978); *History of Assamese Literature*; Sahitya Academi, New Delhi.

১৭) Chaliha, B. (Ed.) (1976); *Sankardeva*; Studies in Culture, Guwahati.

১৮) Kakati, Banikanta (1959); *Aspects of Early Assamese Literature*; Gauhati University.

১৯) Neog, Maheswar (1965); *Sankardeva and His Times*; Gauhati University.

২০) Neog, Maheswar (1968); *Sankardeva*; NBT.

২১) Neog, Maheswar (1988); *The Contribution of the Sankardeva Movement to the Culture and Civilisation of India*, Guwahati.

২২) Sarmah, S. N. (1966); *The Neo Vaishavite Movement and the Satra Institution of Assam*; Gauhati University.

৬.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ নৱ-বৈষ্ণৱবাদ বা আন্দোলন মানে কি... ...অসমত ই কেতিয়াৰ পৰা কেনেকৈ আৰম্ভ হ'ল... ...ইয়াৰ বৈশিষ্ট্য কি... ...এই আন্দোলনৰ ফলত অসমত কেনে ধৰণৰ সাহিত্য ৰচনা কৰা হৈছিল... ...কোনে কোনে ৰচনা কৰিছিল... ...এই সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য আলোচনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ কাব্যৰ লক্ষণ কি... ...কি কি গুণে কাব্যৰ শোভা বৃদ্ধি কৰে... ...*কীর্ত্তন* এখন কাব্য হয় নে... ...কি কি গুণে *কীর্ত্তনৰ* কাব্য শোভা বৃদ্ধি কৰিছে বহলাই আলোচনা কৰিব লাগিব।



৬.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ শঙ্কৰদেৱৰ *দশমৰ* বিষয়ে এটা বিস্তাৰিত টোকা লিখক।

প্রশ্ন ২ ঃ শঙ্কৰদেৱৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য আলোচনা কৰক।

প্রশ্ন ৩ ঃ চমু টোকা লিখক—

ক) শঙ্কৰদেৱৰ অনুবাদৰীতি

খ) শঙ্কৰদেৱৰ গদ্য

প্রশ্ন ৪ ঃ শঙ্কৰদেৱৰ কাব্যকৃতিসমূহৰ চমু পৰিচয় আগবঢ়াওক।

প্রশ্ন ৫ ঃ শঙ্কৰদেৱৰ ভক্তিতত্ত্বমূলক ৰচনাসমূহৰ মাজেদি প্রকাশ পোৱা আধ্যাত্মিক তত্ত্ব আলোচনা কৰক।

প্রশ্ন ৬ ঃ শঙ্কৰদেৱ বিৰচিত গীতসমূহৰ এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৭ ঃ শঙ্কৰদেৱৰ নাম প্রসঙ্গমূলক গ্রন্থৰ তালিকাত কি গ্রন্থ সন্নিৱিষ্ট হ'ব? সেই ৰচনা বা ৰচনাৱলীৰ মাজেদি ৰচনাকাৰৰ কেনে উচ্চাত্মিক মানসিকতা প্রকাশ পাইছে?

*** ***** ***